**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-08-2025 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

0000000

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আজি ৪৫৭ সংখ্যক তিৰোভাব তিথি উপলক্ষে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে গুৰুজনাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি ধৰ্মীয় কাৰ্যসূচী অনুষ্ঠিত হৈছে। গুৰুজনাৰ তিথি উপলক্ষে আজি ৰাজ্যৰ নামঘৰ আৰু সত্ৰসমূহত পুৱাৰে পৰা হৰিনামৰ পৱিত্ৰ ধবনিৰে মুখৰ হৈ উঠে।

মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ স্থাপিত ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত যোৱা ১৯ আগষ্টৰ পৰা আয়োজন কৰা গুৰুজনাৰ কীৰ্তন মহোৎসৱৰ আজি মূল সবাহ অনুষ্ঠিত হ'ব। তিৰোভাব তিথি উপলক্ষে বৰপেটাৰ বৃন্দাবন হাটীৰ ভকতবৃন্দই বিয়লি বৰপেটা সত্ৰত কৰভাৰ প্ৰদান কৰিব। এই উপলক্ষে বৃন্দাবন হাটীৰ হাটীয়াৰ ঘৰৰ পৰা ওজাপালি, গায়ন-বায়ন, নাম-কীৰ্তনীয়া দলে সত্ৰীয়া পৰম্পৰা অনুসৰি শোভাযাত্ৰা কৰি তেল, নিমখ, ঔটেঙা, চাউল, কোমোৰা আদি কৰভাৰ প্ৰদান কৰিব। একেদৰে পাটবাউসী থানতো এই তিথি পালন কৰা হৈছে।

মাজুলীতো আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাব তিথি উপলক্ষে সত্ৰ-নামঘৰসমূহ সুন্দৰকৈ সজাই-পৰাই তোলা হৈছে। মাজুলীৰ ৩৩ খন সত্ৰ আৰু প্ৰায় তিনি শতাধিক নামঘৰত গুৰুজনাৰ তিথি উপলক্ষে হৰিনাম, কীৰ্তনৰ অমিয়া ধবনিৰে আকাশ-বতাহ মুখৰ হৈ পৰিছে। গোৱালপাৰাৰ বগুৱানৰ শ্ৰীশ্ৰী হাটী সত্ৰ আৰু শ্ৰীশ্ৰী শ্যামৰায় সত্ৰত গুৰুজনাৰ তিৰোভাব তিথি পালন কৰা হৈছে। বজালী জিলাৰ ভৱানীপুৰ সত্ৰতো মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাব তিথি উপলক্ষে কীৰ্তন মহোৎসৱ অনুষ্ঠিত হৈছে। কামৰূপ জিলাৰ বকোৰ চমৰিয়া সত্ৰ, শুৱালকুছিৰ শ্ৰী ঈশ্বৰ হাতীসত্ৰৰ লগতে প্ৰতিখন সত্ৰ নামঘৰত আধ্যাত্মিক ৰীতি-নীতিৰে তিৰোভাৱ তিথি পালন কৰা হৈছে। হাতী সত্ৰত সাদিনীয়াকৈ এই তিথি পালন কৰা হৈছে। এই উপলক্ষে ভকত আৰু আয়তীসকলে নাম-প্ৰসঙ্গ পৰিবেশন কৰিছে।

কোচ বিহাৰৰ মধুপুৰ সত্ৰত আজি দিনজোৰা কাৰ্যসূচীৰে মহাপুৰুষজনাৰ তিৰোভাব তিথি পালন কৰা হয়। পুৱা সাত বজাত প্ৰসংগ প্ৰণালীৰে কাৰ্যসূচীৰ পাতনি মেলা হয়। ইয়াৰ পাছতে ভাগৱত পাঠ, আয়তীসকলৰ নাম আৰু আবেলি ৪ বজাত থিয় নাম প্ৰদৰ্শন কৰা হয়।

হোজাই জিলাতো আজি মহাপুৰুষজনাৰ তিৰোভাৱ তিথি ভক্তি সহকাৰে পালন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৰুজনাৰ তিৰোভাব তিথি উপলক্ষে সশ্ৰদ্ধ প্ৰণিপাত জনাইছে।

0000000

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কোকৰাঝাৰ জিলাৰ চালাকাতি পৰিষদীয় সমষ্টিৰ কালী পুখুৰীত বিজয় সংকল্প সমাৱেশত অংশগ্ৰহণ কৰে। আসন্ন বি টি চি নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীয়ে জনসাধাৰণক উদ্দেশি দিয়া ভাষণত বি টি আৰৰ শান্তি-সম্প্ৰীতি বৰ্তাই ৰখাৰ বাবে চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। তেওঁ কয়, যে দীৰ্ঘদিনৰ অশান্ত পৰিস্থিতিৰ পাছত বি টি আৰত প্ৰতিষ্ঠা হোৱা শান্তি অক্ষুণ্ণ ৰখাৰ লগতে সৰ্বাত্মক উন্নয়ন আৰু সকলো স্তৰৰ জনসাধাৰণক সম সুবিধা প্ৰদানৰ লক্ষ্যৰে চৰকাৰে প্ৰচেষ্টা চলাই আছে। তেওঁ কয়, যে অহা ২৮ আগষ্টৰ ভিতৰত বিজেপিয়ে বি টি চি নিৰ্বাচনৰ বাবে কিমানখন আসনত প্ৰাৰ্থী দিব সেই বিষয়ে চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিব। দুই-এদিনৰ ভিতৰতে নিৰ্বাচনী আৰ্হি আচৰণবিধি বলৱৎ হ'ব আৰু চৰকাৰী অধিসূচনা জাৰি কৰাৰ ৪৮ ঘণ্টাৰ ভিতৰতে বিজেপিয়ে প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিব। আজি মুখ্যমন্ত্ৰীৰ সৈতে এই সভাত মন্ত্ৰী অশোক সিংহল আৰু দলৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকে।

0000000

রাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত শীঘ্ৰেই দুহেজাৰ ঠিকাভিত্তিক পদত নিযুক্তি দিয়া হ'ব। বিভাগীয় মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কালি বজালী জিলাৰ পাঠশালাত আয়োজিত এটা অনুষ্ঠানত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে অহা দুই-তিনি মাহৰ ভিতৰত সম্পূৰ্ণ স্বচ্ছ আৰু নিকাভাৱে এই নিযুক্তি প্ৰদান কৰা হ'ব।

0000000

তামুলপুৰ জিলাৰ গুৰাগপুৰ আৰক্ষী চকীৰ অন্তৰ্গত বাঙালীপাৰাৰ ভৰালী চ'কত এখন চাৰিচকীয়া বাহনৰ দুৰ্ঘটনাৰ পাছত একাংশ উত্তেজিত লোকৰ আক্ৰমণত আহত হৈ অভিযেক দাস নামৰ যুৱকজনৰ মৃত্যুৰ ঘটনাৰ ন্যায় বিচাৰি বিভিন্ন দল-সংগঠনে দাবী উত্থাপন কৰিছে। আমাৰ তামুলপুৰৰ সংবাদদাতাই জনোৱা মতে যোৱা ২০ আগষ্টৰ পুৱা অভিযেক নামৰ যুৱকজনে তেওঁৰ আন চাৰিগৰাকী বন্ধুৰ সৈতে তামুলপুৰ নাগ্ৰিজুলি পথেৰে বগামাটিৰ সমীপলৈ ফুৰিবলৈ গৈছিল। উভতি অহাৰ পথত ভৰালী চ'কত তেওঁলোকৰ বাহনখন নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষত থকা এখন দোকানত খুন্দা মৰাৰ ফলত দোকানখনৰ কিছু ক্ষতি হয় আৰু বাহনখনৰ ভিতৰত যুৱককেইজন আৱদ্ধ হৈ পৰে। চালকৰ আসনত থকা অভিযেক নামৰ যুৱকজনে গাড়ীখনৰ ছানৰুফেৰে বাহিৰলৈ ওলাই আহি আবদ্ধ আটাইকেইজনকে উদ্ধাৰ কৰিবলৈ স্থানীয় ৰাইজৰ সহায় বিচাৰে যদিও একাংশ লোকে তেওঁক আক্ৰমণ কৰে। গুৰুতৰভাৱে আহত অৱস্থাত তেওঁক চিকিৎসালয়লৈ লৈ যোৱা হয় যদিও তেওঁৰ মৃত্যু হয়। যুৱকজনৰ পৰিয়ালৰ লোকে তামুলপুৰ থানাত যুৱকজনৰ হত্যাৰ তদন্ত বিচাৰি এজাহাৰ দাখিল কৰিছে।

0000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰত আজি এটা মহিলাৰ বিশ্ৰাম কোঠা আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। আকাশবাণীৰ উত্তৰ পূৰ্বাঞ্চলৰ অতিৰিক্ত সঞ্চালক প্ৰধান আশীষ ভাটনাগৰে উদ্বোধন কৰা এই শীতোতাপযুক্ত বিশ্ৰাম কোঠাত মহিলা বিষয়া-কৰ্মচাৰীসকলে বিশ্ৰাম লোৱাৰ লগতে তেওঁলোকৰ উদ্ভাৱনী প্ৰতিভাৰ বিকাশ ঘটোৱাতো সহায়ক হ'ব। এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ উপ-সঞ্চালক প্ৰধান ৱালিউল খান, আন দুগৰাকী উপ-সঞ্চালক প্ৰধান - ৰবীন চন্দ্ৰ বড়ো আৰু সঞ্জীৱ শ্ৰীবাস্তৱ, অনুষ্ঠান শাখাৰ মুৰব্বী কৰ্দোলিন থাংকিউ আৰু বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰো উপস্থিত থাকে।

0000000

**সমাপ্ত**